**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে স্বামীত্ব আঁচনিৰ অধীনত প্ৰায় ৬৫ লাখ সম্পত্তি কাৰ্ড বিতৰণ কৰে।

২। পশ্চিমবঙ্গৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ত সংঘটিত ধৰ্ষণ আৰু হত্যাৰ গোচৰত শিয়ালদহ আদালতে সঞ্জয় ৰায় নামৰ অভিযুক্তজনক দোষী সাব্যস্ত কৰিছে।

৩। সংসদৰ বাজেট অধিৱেশন অহা ৩১ জানুৱাৰীত আৰম্ভ হ'ব।

৪। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আই চি চি চেম্পিয়নছ ট্ৰফী আৰু ইংলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় দল ঘোষণা কৰিছে।

*আৰু*

৫। আই এছ এল ফুটবল প্ৰতিযোগিতাত কিছু সময়ৰ পাছত কোচিত হ'বলগীয়া এখন খেলত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাব কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে দেশৰ ১০ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫০ হাজাৰৰো অধিক গাঁৱৰ সম্পত্তিৰ স্বত্বাধিকাৰীসকলৰ মাজত স্বামীত্ব আঁচনিৰ অধীনত প্ৰায় ৬৫ লাখ সম্পত্তি কাৰ্ড বিতৰণ কৰে। এই উপলক্ষে দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে আজিৰ দিনটোক গ্ৰাম্য অৰ্থব্যৱস্থাৰ বাবে ঐতিহাসিক বুলি অভিহিত কৰে। তেওঁ কয়, যে স্বামীত্ব আঁচনি ৰূপায়ণ কৰাৰ পাছৰে পৰা বিগত ৫ বছৰত ২ কোটি ২৫ লাখৰো অধিক সম্পত্তিৰ নথি জাৰি কৰা হৈছে। সঠিক সম্পত্তিৰ নথিৰ অভাৱক এক প্ৰকাৰৰ বৃহৎ সমস্যা আখ্যা দি শ্ৰীমোদীয়ে কয়, যে ইয়াৰ ফলত বিভিন্ন বিবাদৰ সৃষ্টি হয়। তেওঁ কয়, যে সম্পত্তিৰ সঠিক নথিয়ে বেংকৰ পৰা ঋণ লাভৰ পথ প্ৰশস্ত কৰে আৰু দখলৰ সমস্যা দূৰ কৰাত সহায় কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে সম্পত্তিৰ নথিৰ ফলত দেশত ১০০ লাখ কোটি টকাৰ অৰ্থনৈতিক সম্ভাৱনাৰ দ্বাৰ মুকলি হ'ব আৰু ইয়াৰ ফলত জনসাধাৰণৰ অৰ্থনৈতিক সৰলীকৰণ সুচল হৈ উঠিব। স্বামীত্ব আঁচনি গ্ৰামাঞ্চলৰ অৰ্থব্যৱস্থাৰ বাবে উন্নয়নৰ মূল স্তম্ভৰূপে পৰিগণিত হ'ব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে ভূমিলেখাৰ ডিজিটেল ৰূপ প্ৰদানৰ বাবে কাম কৰি আছে আৰু বৰ্তমানলৈকে ২৩ কোটি ভূ-আধাৰ নম্বৰ প্ৰদান কৰা হৈছে। বিগত ৭-৮ বছৰত ভূমি-লেখাৰ ৯৮ শতাংশৰ ডিজিটেল ৰূপ প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভূমিৰ অধিকাৰ লাভ কৰাৰ ফলত গাঁও পঞ্চায়তসমূহৰ বিভিন্ন সমস্যা সমাধান হ'ব আৰু সেইসমূহ আৰ্থিকভাৱে সৱল হৈ উঠিব। তেওঁ কয়, যে মহিলাসকলে উন্নত ভাৰত নিৰ্মাণৰ যাত্ৰাত গুৰুত্বপূৰ্ণ ভূমিকা

পালন কৰিব। শ্ৰীমোদীয়ে কয়, যে তেওঁৰ চৰকাৰে মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰি আহিছে আৰু মহিলাসকলক কেন্দ্ৰত ৰাখিয়েই চৰকাৰে গুৰুত্বপূৰ্ণ আঁচনিসমূহ যুগুতাই উলিয়াইছে।

অত্যাধুনিক ড্ৰ'ণ প্ৰযুক্তিৰে জৰীপ চলাই পৰিয়ালসমূহক ভূমি অধিকাৰৰ নথি প্ৰদান কৰি গ্ৰামাঞ্চলৰ আৰ্থিক বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে ২০২০ চনত এই আঁচনিখন আৰম্ভ কৰা হৈছিল। আঁচনিখনে সম্পত্তিক মুদ্ৰালৈ ৰূপান্তৰ কৰাৰ সুবিধা প্ৰদান কৰাৰ লগতে বেংক ঋণৰ জৰিয়তে প্ৰতিষ্ঠানগত ঋণ লাভৰ পথ সুগম কৰি তোলে। ইয়াৰ উপৰি সম্পত্তি সম্পৰ্কীয় বিবাদ হ্ৰাস কৰাত সহায় কৰে আৰু গ্ৰামাঞ্চলত সম্পত্তিৰ মূল্যায়ন তথা সম্পত্তি কৰ সংগ্ৰহ সুচল কৰি তোলে।

বৰ্তমানলৈকে ১৩ লাখ ১৭ হাজাৰৰো অধিক গাঁৱৰ ড্ৰ'ণ জৰীপ সম্পূৰ্ণ হৈছে আৰু এই সংখ্যা নিৰ্ধাৰিত লক্ষ্যৰ প্ৰায় ৯২ শতাংশ। আঁচনিখনৰ অধীনত এতিয়ালৈকে ১ লাখ ৫৩ হাজাৰৰো অধিক গাঁৱৰ বাবে প্ৰায় ২ কোটি ২৫ লাখ সম্পত্তি কাৰ্ড প্ৰস্তুত কৰি উলিওৱা হৈছে। পুডুচেৰী, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, ত্ৰিপুৰা, গোৱা, উত্তৰাখণ্ড আৰু হাৰিয়ানাত এই আঁচনিৰ কাম সম্পূৰ্ণ হৈছে। মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, ছত্তিশগড় আৰু কেইবাখনো কেন্দ্ৰীয়শাসিত অঞ্চলতো ড্ৰ'ণ জৰীপ সম্পন্ন হৈছে।

ooooo

পশ্চিম বংগৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ত সংঘটিত ধৰ্ষণ আৰু হত্যাৰ গোচৰত ৰাজ্যখনৰ  শিয়ালদহ আদালতে সঞ্জয় ৰায় নামৰ অভিযুক্তজনক দোষী সাব্যস্ত কৰিছে। এই গোচৰৰ পৰৱৰ্তী শুনানি ২০ জানুৱাৰীত গ্ৰহণ কৰা হ'ব।  সেইদিনা আদালতে শাস্তিৰ পৰিমাণ সন্দৰ্ভত ঘোষণা কৰাৰ সম্ভাৱনা আছে।

অনুসন্ধানকাৰী সংস্থা চিবিআইয়ে দাখিল কৰা তথ্য প্ৰমাণে এই ঘটনাত সঞ্জয় ৰায়ক দোষী বুলি প্ৰমাণ কৰাৰ কথা ন্যায়িক দণ্ডাধীশগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে,বিগত বৰ্ষৰ ৯ আগষ্টত আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ এটা বক্তৃতাকক্ষৰ পৰা স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰশিক্ষাৰ্থী চিকিৎসকগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল।এই ঘটনাৰ অভিযোগত যোৱা ১০ আগষ্টত কলকাতা আৰক্ষীয়ে সঞ্জয় ৰায় নামৰ লোকজনক গ্ৰেপ্তাৰ কৰিছিল। পাছলৈ তেওঁক চিবিআইক গতাই দিয়া হয় আৰু চিবিআইয়ে এই গোচৰত সঞ্জয় ৰায়ৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে। যোৱা বছৰৰ ৮ আগষ্টৰ মাজ নিশা  চিকিৎসকগৰাকীক ধৰ্ষণ কৰি হত্যা কৰা হৈছিল।000

ooooo

সংসদৰ বাজেট অধিৱেশন অহা ৩১ জানুৱাৰীত আৰম্ভ হ'ব। বাজেট অধিৱেশনৰ প্ৰথম দিনা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ১ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় বাজেট দাখিল কৰিব। বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায় ৩১ জানুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ আৰু দ্বিতীয় পৰ্যায় ১০ মাৰ্চৰ পৰা ৪ এপ্ৰিললৈ অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব

চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

ৰাছিয়াই যোৱা নিশা ইউক্ৰেইনৰ কীভত চলোৱা বিমান আক্ৰমণত কমেও তিনিজন লোকে প্ৰাণ হেৰুৱায়। ইউক্ৰেইনৰ বিষয়াসকলে প্ৰকাশ কৰা মতে, এই আক্ৰমণত এটা মেট্ৰ' ষ্টেচন আৰু পানীৰ পাইপৰো ক্ষতিসাধন হয়। তেওঁলোকে প্ৰকাশ কৰা মতে, ৰাছিয়াৰ বাহিনীসমূহে প্ৰথমতে ড্ৰ'ণেৰে আৰু পাছত বেলিষ্টিক ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলায়। ইউক্ৰেইনৰ সামৰিক বাহিনীয়ে ৰাছিয়াই নিক্ষেপ কৰা ৩৯ টা ড্ৰ'ণৰ ভিতৰত ২৪ টা আৰু চাৰিটা ক্ষেপণাস্ত্ৰৰ দুটা ধ্বংস কৰা বুলি দাবী কৰিছে।

০০০০০

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত ৪০ জনীয়া ভকত-বৈষ্ণৱৰ এটা দল আজি প্ৰয়াগৰাজৰ মহাকুম্ভ মেলালৈ ৰাওনা হৈছে। এই উপলক্ষ্যে আজি পুৱা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা উলিওৱা ভাগৱত  শোভাযাত্ৰাত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই অংশগ্ৰহণ কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে প্ৰথমবাৰৰ বাবে মহাকুম্ভ মেলাত নামঘৰ, মণিকূট আৰু ৰাঙলি চ'ৰা নিৰ্মাণ কৰি উলিয়াইছে। ভকত-বৈষ্ণৱৰ এই দলটোৱে ভাগৱত পাঠ, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু নাম-প্ৰসংগ পৰিৱেশন কৰিব।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আই চি চি চেম্পিয়নছ ট্ৰফী আৰু ইংলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে। এদিনীয়া দললৈ কুলদীপ যাদৱ আৰু মহম্মদ শ্বামীৰ প্ৰত্যাৱৰ্তন ঘটিছে। যশপ্ৰীত বুমৰাকো চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে দলত অন্তৰ্ভুক্ত কৰা হৈছে। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলৰ বাকী সদস্যসকলৰ ভিতৰত আছে- উপ-অধিনায়ক শুভমন গীল, বীৰাট কোহলি, অক্ষৰ পেটেল, অশদীপ সিং, ৰবীন্দ্ৰ জাদেজা, উইকেট কীপাৰ ঋষভ পণ্ট, ৱাংচিংটন সুন্দৰ, কে এল ৰাহুল, হাৰ্দিক পাণ্ডিয়া, যশস্বী জয়চোৱাল। হৰ্ষিত ৰাণাক সংৰক্ষিত খেলুৱৈ হিচাপে ৰখা হৈছে।

ভাৰতে ১৯ ফেব্ৰুৱাৰীত আৰম্ভ হ'বলগীয়া চেম্পিয়নছ ট্ৰফীত অংশগ্ৰহণ কৰাৰ বাবে ডুবাইলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে ৬, ৯ আৰু ১২ ফেব্ৰুৱাৰীত ইংলেণ্ডৰ বিৰুদ্ধে তিনিখন এদিনীয়া খেলত অৱতীৰ্ণ হ'ব। ভাৰতক চেম্পিয়নছ ট্ৰফীৰ গ্ৰুপ এত স্থান দিয়া হৈছে আৰু দলটোৱে ২০ ফেব্ৰুৱাৰীত বাংলাদেশৰ বিৰুদ্ধে নিজৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। ভাৰত ২৩ ফেব্ৰুৱাৰীত পাকিস্তান আৰু ২ মাৰ্চত নিউজিলেণ্ডৰ সন্মুখীন হ'ব। পাকিস্তান আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইয়ে আই চি চি চেম্পিয়নছ ট্ৰফীৰ এইবাৰৰ নৱম সংস্কৰণৰ আয়োজন কৰিছে যদিও ভাৰতৰ আটাইকেখন খেল ডুবাইত খেলোৱা হ'ব।

০০০০০

আই এছ এল ফুটবল প্ৰতিযোগিতাত কিছু সময়ৰ পাছত কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত  নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাব কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শেহতীয়া তিনিখন খেলত ড্ৰ' খেলা নৰ্থ ইষ্ট ইউনাইটেডৰ বাবে আজিৰ খেলখন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ২৪ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানত থকা নৰ্থ ইষ্ট ইউনাইটেড আৰু  কেৰালা ব্লাষ্টাৰ্ছৰ মাজত ইয়াৰ পূৰ্বে গুৱাহাটীত অনুষ্ঠিত খেলখন অমীমাংসিত হৈছিল।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত সোমবাৰে নিশা চাৰে ৯ বজাত **পথ সুৰক্ষা নিশ্চিতকৰণ** সন্দৰ্ভত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব মেহমুদ আহমেদ আৰু পৰিবহণ বিশেষজ্ঞ অনিল চিকাৰাৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী

শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

সমাপ্ত